**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-MAY-2026 **Time :** 1715 HRS

***Assamese Evening Bulletin***

১। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ নতুনকৈ শপত গ্ৰহণ কৰা ৰাজ্যৰ চাৰিগৰাকী মন্ত্ৰীক দপ্তৰ বিতৰণ।

২। কোকৰাঝাৰ জিলাত পথ দুৰ্ঘটনা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত জিলা পৰিবহণ বিভাগৰ ক্ষেত্ৰভিত্তিক অনুসন্ধান।

৩। কংগ্ৰেছৰ ভি ডি সাথীচানক কেৰলমৰ নতুন মুখ্যমন্ত্ৰী হিচাপে ঘোষণা।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পঞ্জাব কিংছ আৰু মুম্বাই ইণ্ডিয়ানছ মুখামুখি।

00000000

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি নতুনকৈ শপত গ্ৰহণ কৰা ৰাজ্যৰ চাৰিগৰাকী মন্ত্ৰীক দপ্তৰ বিতৰণ কৰে। সেই অনুসৰি, ৰামেশ্বৰ তেলীক ৰূপান্তৰ আৰু উন্নয়ন, শ্ৰম কল্যাণ তথা চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যাণ বিভাগৰ দায়িত্ব অৰ্পণ কৰা হয়। অতুল বৰাক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম চুক্তি ৰূপায়ণ, সীমা সুৰক্ষা আৰু উন্নয়ন তথা আৱকাৰী বিভাগৰ দায়িত্ব দিয়া হৈছে। একেদৰে মন্ত্ৰী চৰণ বড়োক পৰিবহণ আৰু বড়োলেণ্ড কল্যাণ বিভাগৰ দায়িত্ব দিয়াৰ লগতে অজন্তা নেওগক পৰ্যটন, মহিলা আৰু শিশু বিকাশ বিভাগৰ দায়িত্ব প্ৰদান কৰা হয়।

00000000

কোকৰাঝাৰ জিলাত পথ দুৰ্ঘটনা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত জিলা পৰিবহণ বিভাগে আজি জিলা প্ৰশাসনৰ সহযোগত ক্ষেত্ৰভিত্তিক অনুসন্ধান কাৰ্যসূচী ৰূপায়ণ কৰে। পৰিবহণ বিভাগে লগতে যান-বাহনৰ চালক তথা জনসাধাৰণ মাজত পথ সুৰক্ষাৰ বিভিন্ন দিশ সন্দৰ্ভত সজাগতা সৃষ্টিৰো প্ৰয়াস চলায়। আজি জিলা আয়ুক্ত ড০ পি উদয় প্ৰবীন, জিলা পৰিবহণ বিষয়া ধবজেন্দ্ৰ বসুমতাৰী আৰু আৰক্ষী আয়ুক্ত অক্ষত গাৰ্গে ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাৰিগাঁও, বিছমূৰি, আলাংগি আৰু টিলাপাৰা অঞ্চলৰ দুৰ্ঘটনা প্ৰৱণ স্থানসমূহ পৰিদৰ্শন কৰি পথ সুৰক্ষামূলক যাৱতীয় পদক্ষেপ গ্ৰহণত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে বিগত ৪ মাহত কোকৰাঝাৰ জিলাত পথ দুৰ্ঘটনাত প্ৰায় ৪০ জন লোকৰ মৃত্যু হয়। ইয়াৰে অধিকসংখ্যৰ পথ দুৰ্ঘটনা তীব্ৰ গতিত যান-বাহন চলোৱাৰ বাবে সংঘটিত হয় বুলি জিলা আয়ুক্তগৰাকীয়ে উল্লেখ কৰে। তেওঁ চালকসকলক পথ সুৰক্ষাৰ নীতি-নিয়মসমূহ মানি চলিবলৈ আহ্বান জনায়।

**বাইট (ড০ পি উদয় প্ৰবীন)**

00000000

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন কাইলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত শুনানিৰ বাবে তালিকাভুক্ত কৰা হৈছে। ইয়াৰ পূৰ্বে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে কালি অভিযুক্ত শ্যামকানু মহন্তই জামিনৰ বাবে অনুৰোধ জনাই দাখিল কৰা আবেদনখন শুনানিৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। বিচাৰপীঠখনে ইয়াৰ পৰিৱৰ্তে অভিযুক্তগৰাকীৰ জামিন আবেদন উচ্চ ন্যায়ালয়ৰ আন বিচাৰপীঠত তালিকাভুক্ত কৰিবলৈ নিৰ্দেশ দিয়ে।

oooooooo

অসম ৰে'ল যাত্ৰী সন্থাই গুৱাহাটীৰ যানজঁট আৰু ৰে'ল যাতায়তৰ সমস্যা সমাধানৰ উদ্দেশ্য আজ্ঞাঠুৰী ষ্টেচনত পূৰ্ণাংগ যাত্ৰী টাৰ্মিনেল স্থাপনৰ দাবী কৰিছে। এই সন্দৰ্ভত সন্থাই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে। সন্থাই গুৱাহাটীৰ ৰে'ল খণ্ডৰ বাবে দীৰ্ঘদিনীয়া আৰু জটিল আন্তঃগাঁথনিৰ প্ৰয়োজনীয়তাৰ প্ৰতি মুখ্যমন্ত্ৰীগৰাকীৰ দৃষ্টি আকৰ্ষণ কৰি কয়, যে গুৱাহাটী আৰু কামাখ্যা ষ্টেচন বৰ্তমান অত্যধিক  চাপৰ মাজেৰে চলি আছে। স্মাৰক পত্ৰখনত উল্লেখ কৰা মতে, আজ্ঞাঠুৰীত যাত্ৰী টাৰ্মিনেল স্থাপন কৰিলে গুৱাহাটী-কামাখ্যা ৰে'ল জংচনত হোৱা অত্যধিক চাপ লাঘৱ হ'ব।

ooooooooo

বিগত ১০ দিন ধৰি চলি থকা অনিশ্চয়তা আৰু উত্তেজনাৰ অৱসান ঘটাই কংগ্ৰেছে আজি ভি ডি সাথীচানক কেৰলমৰ নতুন মুখ্যমন্ত্ৰী হিচাপে ঘোষণা কৰে। নতুন দিল্লীত আজি এখন সংবাদমেলত কংগ্ৰেছ নেতা অজয় মাকেন, মুকুল ৱাছনিক আৰু দীপিকা দছমুনছিয়ে এই কথা ঘোষণা কৰে। মুখ্যমন্ত্ৰীৰ নাম ঘোষণাৰ পাছতেই কংগ্ৰেছ নেতৃত্বাধীন ইউ ডি এফে ৰাজ্যখনত চৰকাৰ গঠনৰ বাবে আগবাঢ়িছে। উল্লেখযোগ্য যে, কেৰলমৰ বিধানসভা নিৰ্বাচনত এইবাৰ ইউ ডি এফে দুই-তৃতীয়াংশৰো অধিক সংখ্যাগৰিষ্ঠতাৰে জয়লাভ কৰিছিল যদিও বিভিন্ন শিৱিৰৰ লবী তথা তৃণমূল পৰ্য্যায়ত কৰ্মীসকলৰ প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীৰ নাম ঘোষণাৰ সিদ্ধান্ত ল'বলৈ অসমৰ্থ হৈছিল।

ooooooooo

জনসাধাৰণৰ মাজত পৰিবেশ সচেতনতা, বহনক্ষম উন্নয়ন আৰু জলবায়ুৰ প্ৰতি দায়বদ্ধতাৰ মানসিকতা গঢ়ি তোলা লক্ষ্যৰে মৰিগাঁও মহাবিদ্যালয়ত **জীৱনৰ বাবে জলবায়ু মহোৎসৱ** সন্মিলনৰ আয়োজন কৰা হৈছে। আজিৰেপৰা অনুষ্ঠিত এই মহোৎসৱ পৰহিলৈ অন্ত পৰিব। **য'ত আছে নদী, বনাঞ্চল, পৰ্বত উপকূল আৰু মহাসাগৰ** -শীৰ্ষক বিষয়বস্তুৰে আয়োজন কৰা এই মহোৎসৱৰ জৰিয়তে অভিজ্ঞতা ভিত্তিক আৰু আন্তঃক্ৰিয়াশীল শিক্ষাৰ মাধ্যমৰে জলবায়ু পৰিবৰ্তন, বহনক্ষমতা আৰু পৰিবেশ বিজ্ঞান সম্পৰ্কে সচেতনতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। মহাবিদ্যালয়খনৰ উদ্ভিদ বিজ্ঞান আৰু প্ৰাণী বিজ্ঞান বিভাগৰ সহযোগত অনুষ্ঠিত এই মহোৎসৱ মৰিগাঁৱৰ জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে উদ্বোধন কৰে। জিলা আয়ুক্তগৰাকীয়ে জলবায়ু পৰিবৰ্তন বৰ্তমান সময়ত অতি দৰকাৰী বিষয় বুলি মন্তব্য কৰে। তেওঁ কয়, যে মানুহৰ অবিবেচক কাৰ্যই পৰিবেশ আৰু জলবায়ুৰ প্ৰতি দুৰ্যোগ কঢ়িয়াই আনিছে। প্ৰতিজন নাগৰিক এই বিষয়ত সচেতন হোৱাৰো প্ৰয়োজন আছে বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

এই মহোৎসৱৰ অংশ হিচাপে প্ৰদৰ্শনী আৰু আন্তঃক্ৰিয়াশীল অধিবেশনৰ আয়োজন কৰা হয়।

০০০০০০০০০

কাৰ্বি আংলং জিলাৰ অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিভাগৰ উদ্যোগত আজি ডিফুৰ স্বাস্থ্য সেৱা যুটীয়া কাৰ্যালয়ত জিলা কাৰ্যবাহিনীৰ এখন সভা অনুষ্ঠিত হয়। এই সভাত জিলাখনৰ নিয়মীয়া টিটাকৰণ সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। সভাত অংশ লৈ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ পৰিয়াল আৰু স্বাস্থ্য বিভাগৰ সচিব ৰাজেছন টেৰাঙে জিলাখনত ১৪-১৫ বছৰীয়া কিশোৰীসকলক জৰায়ুৰ কৰ্কট ৰোগৰ পৰা সুৰক্ষিত কৰি ৰখাৰ বাবে এইচ পি ভি টিটা প্ৰদান সুনিশ্চিত কৰিবলৈ চিকিৎসক, শিক্ষা বিভাগ, সমাজ কল্যাণ বিভাগ আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ প্ৰতিনিধিসকলক আহ্বান জনায়।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হিমাচল প্ৰদেশৰ ধৰমশালাত হ'বলগীয়া এখন খেলত পঞ্জাব কিংছ আৰু মুম্বাই ইণ্ডিয়ানছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা ৰায়পুৰত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে কলকাতা নাইট ৰাইডাৰ্ছক ৬ উইকেটত পৰাস্ত কৰে। এই জয়ৰ পাছত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ১৬ পইণ্টেৰে গুজৰাটৰ সৈতে যুটীয়াভাৱে প্ৰতিযোগিতাৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে।

০০০০০০০০

সমাপ্ত